# সমৃদ্ধিশালী ভাৰত গঢ়িবলৈ লাগিব লং জাম্প ঃ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী

*দেশৰ সৰ্বস্তৰৰ নাগৰিকক সামৰি বিকাশৰ পথেৰে আগুৱাই যোৱাটো চৰকাৰৰ মূল উদ্দেশ্য বুলি দোহাৰি প্ৰধান মন্ত্ৰীগৰাকীয়ে এই লক্ষ্যত উপনীত হোৱাৰ বাবে জন ধন, বন ধন আৰু জল ধনক সাৰথি কৰি আগবাঢ়িব লাগিব। নিৰ্বাচনত প্ৰতিপক্ষক পৰাজিত কৰি চৰকাৰ সলনি কৰাটোৱেই শেষ কথা নহয় বুলি আঙুলিয়াই প্ৰধান মন্ত্ৰীগৰাকীয়ে কয় যে সমাজৰ দুৰ্বলতম শ্ৰেণীসমূহৰ কল্যাণ সুনিশ্চিত কৰাটোহে মূল উদ্দেশ্য হোৱা উচিত। জন ধন অৰ্থাৎ মানৱ সম্পদ, বন ধন অৰ্থাৎ প্ৰাকৃতিক সম্পদ আৰু জল ধন আখ্যায়িত জল সম্পদৰ সঠিক ব্যৱহাৰেৰে দেশক উন্নয়নৰ পথেৰে দ্ৰুতগতিত আগুৱাই নিয়াটো সম্ভৱ হ'ব বুলিও অভিমত ব্যক্ত কৰে মোদীয়ে।*



আৰ্থিক আৰু সামাজিক সংস্কাৰৰ মাধ্যমেৰে ২০২২ চনৰ ভিতৰত ভাৰতক বিশ্বৰ ভিতৰতে এখন সুখী সমৃদ্ধিশালী তথা শক্তিশালী ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ উদ্দেশ্যে প্ৰয়োজন ইতিহাস সৃষ্টিকাৰী এক পদক্ষেপৰ। এই পদক্ষেপ হ'ব লাগিব প্ৰকৃততে এটা 'লং জাম্প'। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য এয়া। উৰিষ্যাৰ ভুবনেশ্বৰত অনুষ্ঠিত বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকৰ অন্তিম দিনা প্ৰধান মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী তথা দলীয় শীৰ্ষ নেতৃবৰ্গক সম্বোধি দিয়া ভাষণত বিশ্বৰ ভিতৰতে অন্যতম শক্তিশালী দেশ হিচাপে পৰিগণিত কৰোৱাৰ লক্ষ্যৰে কৰ্মত ব্ৰতী হ'বলৈ আহ্বান জনায়। সংস্কাৰমুখী প্ৰক্ৰিয়া তথা অৰ্থনৈতিক উন্নয়নৰ গতি ক্ষিপ্ৰতৰ কৰাৰ সময় আহি পৰিছে বুলি উল্লেখ কৰি প্ৰধান মন্ত্ৰীগৰাকীয়ে কয় যে তিনি বছৰ সম্পূৰ্ণ কৰা কেন্দ্ৰীয় চৰকাৰখনে যাতে প্ৰতিশ্ৰুতি পূৰণেৰে জনতাৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰিবলৈ সক্ষম হয়, তাৰ বাবে দল আৰু চৰকাৰত জড়িতসকলে ক্ষিপ্ৰতাৰে কাম কৰিব লাগিব। পূৰ্বৰ চৰকাৰৰ তুলনাত বৰ্তমানৰ চৰকাৰখনে এই তিনি বছৰতে যথেষ্ট খৰ গতিৰে উন্নয়নমুখী কাম-কাজ সম্পাদন কৰিছে যদিও উন্নয়নৰ গতি ক্ষিপ্ৰতৰ কৰি ইতিহাস পৰিৱৰ্তনৰ মানসিকতাৰ পৰিচয় দিব লাগিব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। দেশৰ সৰ্বস্তৰৰ নাগৰিকক সামৰি বিকাশৰ পথেৰে আগুৱাই যোৱাটো চৰকাৰৰ মূল উদ্দেশ্য বুলি দোহাৰি প্ৰধান মন্ত্ৰীগৰাকীয়ে এই লক্ষ্যত উপনীত হোৱাৰ বাবে জন ধন, বন ধন আৰু জল ধনক সাৰথি কৰি আগবাঢ়িব লাগিব। নিৰ্বাচনত প্ৰতিপক্ষক পৰাজিত কৰি চৰকাৰ সলনি কৰাটোৱেই শেষ কথা নহয় বুলি আঙুলিয়াই প্ৰধান মন্ত্ৰীগৰাকীয়ে কয় যে সমাজৰ দুৰ্বলতম শ্ৰেণীসমূহৰ কল্যাণ সুনিশ্চিত কৰাটোহে মূল উদ্দেশ্য

হোৱা উচিত। জন ধন অর্থাৎ মানৱ সম্পদ, বন ধন অর্থাৎ প্ৰাকৃতিক সম্পদ আৰু জল ধন আখ্যায়িত জল সম্পদৰ সঠিক ব্যৱহাৰেৰে দেশক উন্নয়নৰ পথেৰে দ্ৰুতগতিত আগুৱাই নিয়াটো সম্ভৱ হ'ব বুলিও অভিমত ব্যক্ত কৰে মোদীয়ে। দেশৰ দৰিদ্ৰ তথা দুৰ্বল শ্ৰেণীৰ লোকসকলৰ কল্যাণকামী বিভিন্ন আঁচনি গ্ৰহণ আৰু সঠিক ৰূপায়ণ, দেশজুৰি বিস্তৃত বিভিন্ন প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু খেতিপথাৰত পানী যোগানকে ধৰি জল সম্পদৰ সঠিক তথা পৰিমিত ব্যৱহাৰে দেশত দুৰ্বল শ্ৰেণীসমূহৰ উন্নয়ন সুনিশ্চিত কৰিব বুলিও তেওঁ অভিমত ব্যক্ত কৰে। আৰ্থ-সামাজিক শোষণ তথা বৈষম্যৰ অৱসানেৰে সমাজ উন্নয়নৰ পৰিৱেশ সৃষ্টিত গুৰুত্ব আৰোপ কৰি প্ৰধান মন্ত্ৰীগৰাকীয়ে 'পি২ জি২' নীতিৰে আগবাঢ়িবলৈ কেন্দ্ৰীয় মন্ত্ৰী আৰু দলীয় শীৰ্ষ নেতৃবৰ্গক আহ্বান জনায়। এই নীতি সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰি তেওঁ কয় যে পি২ হৈছে জনমুখী পদক্ষেপ আৰু জি২ হৈছে গুড গভৰ্নেন্স অৰ্থাৎ সুশাসন। সঠিকভাৱে তথা সক্ৰিয়তাৰে জনমুখী আঁচনি ৰূপায়ণ কৰিলে সমাজৰ দুৰ্বল শ্ৰেণীসমূহৰ উন্নয়নৰ পথ মসৃণ হ'ব বুলি অভিমত ব্যক্ত কৰি তেওঁ কয় যে চৰকাৰী আঁচনিসমূহৰ সুফল পাবলৈ হ'লে গুড গভৰ্নেন্স অৰ্থাৎ সুশাসন অত্যন্ত জৰুৰী। বিগত তিনি বছৰত এন ডি এ চৰকাৰে প্ৰতিশ্ৰুতি পালনৰ দিশত লক্ষণীয় সাফল্য লাভ কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি মোদীয়ে কয় যে সামগ্ৰী আৰু সেৱা কৰ প্ৰৱৰ্তনৰ পথ মুকলি হৈছে। একেদৰে চৰকাৰখনৰ তিনি বছৰীয়া কাৰ্যকালত ২৮ কোটি জন ধন একাউণ্ট খোলা হৈছে। এই তিনি বছৰতে ৰাজহ সংগ্ৰহৰ পৰিমাণ পূৰ্বৰ ১৩ লাখ টকাৰ পৰা ২০ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। প্ৰতিশ্ৰুতি পূৰণৰ পথ অত্যন্ত দীঘল বুলি আঙুলিয়াই তেওঁ চৰকাৰক পূৰ্ব নিৰ্ধাৰিত লক্ষ্যত উপনীত কৰোৱাৰ উদ্দেশ্যে আত্মোৎসৰ্গৰ মনোভাৱেৰে কাম কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰী আৰু বিজেপিৰ শীৰ্ষ নেতৃবৰ্গক আহ্বান জনায়। উল্লেখ্য যে ভাষণত প্ৰধান মন্ত্ৰীগৰাকীয়ে জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰসংগও উত্থাপন কৰে। ভাষণৰ মাজেৰে গান্ধীজীয়ে দেশবাসীক স্বাধীনতাৰ বাবে উদ্বুদ্ধ কৰি তুলিছিল বুলি উল্লেখ কৰি মোদীয়ে কয় যে সাম্প্ৰতিক প্ৰেক্ষাপটত আটাইতকৈ গুৰুত্বপূৰ্ণ আহ্বান হৈছে 'মিছন২০২২'। অৰ্থাৎ স্বাধীনতাৰ হীৰক জয়ন্তী বৰ্ষ হিচাপে পৰিগণিত হ'বলগীয়া ২০২২ চনৰ ভিতৰতে ভাৰতক বিশ্বৰ অন্যতম বৃহৎ অৰ্থনৈতিক শক্তি হিচাপে গঢ় দিব লাগিব। অকল অৰ্থনৈতিক প্ৰগতিয়েই নহয়, সামাজিক উন্নয়নৰ ক্ষেত্ৰতো বিশ্বত ভাৰতৰ স্থান হ'ব লাগিব অদ্বিতীয়। দুৰ্নীতি আৰু বৈষম্যৰ পৰা মুক্ত ভাৰতত উন্নয়নৰ অংশীদাৰ হ'ব লাগিব প্ৰতিগৰাকী ভাৰতীয়ই। এনে এক প্ৰেক্ষাপটতহে প্ৰতিফলিত হ'ব এন ডি এ চৰকাৰৰ প্ৰতিশ্ৰুতি পূৰণৰ সাফল্য। ইয়াৰ বাবে দল আৰু চৰকাৰ উভয় পক্ষই আগুৱাব লাগিব ঐক্যবদ্ধভাৱে। সামাজিক তথা অৰ্থনৈতিক উন্নয়নৰ লক্ষ্য আগত ৰাখি আত্মোৎসৰ্গৰ মনোভাৱেৰে কৰ্মত ব্ৰতী হোৱাটোৱেই মূল কথা বুলি ভাষণেৰে বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকৰ মোখনি মাৰে প্ৰধান মন্ত্ৰী মোদীয়ে। ❒❒

# কামাখ্যা মন্দিৰলৈ ইণ্ডিয়া টুডে পৰ্যটন বঁটা



ৰাজ্যবাসীৰ বাবে সুখবৰ। বিশ্ব প্ৰসিদ্ধ শক্তিপীঠ কামাখ্যা মন্দিৰলৈ আগবঢ়োৱা হৈছে এক গুৰুত্বপূৰ্ণ বঁটা। দেশৰ আগশাৰীৰ বাৰ্তালোচনী 'ইণ্ডিয়া টুডে'ৰ তৰফৰ পৰা আগবঢ়োৱা পৰ্যটন বঁটা লাভ কৰিছে কামাখ্যা দেৱালয়ে। ঐতিহ্য শিতানত কামাখ্যা দেৱালয়লৈ আগবঢ়োৱা হৈছে 'ইণ্ডিয়া টুডে পৰ্যটন' শীৰ্ষক এই বঁটা। কেন্দ্ৰীয় পৰ্যটন আৰু সাংস্কৃতিক দপ্তৰৰ মন্ত্ৰী মহেশ শৰ্মাৰ পৰা এই বঁটা আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্তমল্ল বৰুৱাই। উল্লেখ্য যে এই বঁটাৰ বাবে সমগ্ৰ দেশজুৰি চলোৱা সমীক্ষাত সামৰি লোৱা হৈছিল ঐতিহ্য তথা পৰ্যটন ক্ষেত্ৰ হিচাপে পৰিগণিত বিভিন্ন স্থানক। ছ'চিয়েল মিডিয়াৰ জৰিয়তে দেশৰ বিভিন্ন প্ৰান্তৰ লোকে প্ৰদান কৰা ভোটৰ ভিত্তিত পৰ্যটন আৰু ঐতিহ্য শিতানৰ বঁটাৰ বাবে স্থান বাছনি কৰা হৈছিল। ছ'চিয়েল মিডিয়া যোগে ঐতিহ্য শিতানত দেশৰ বিভিন্ন প্ৰান্তত সৰ্বাধিক সংখ্যক লোকৰ ভোট লাভেৰে শীৰ্ষস্থান দখল কৰি উজলি উঠে কামাখ্যা ধাম। ❒❒

# লখিমপুৰ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ মুখ্য মন্ত্ৰীৰ

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰাইজৰ স্বাস্থ্যসেৱাৰ ক্ষেত্ৰখনলৈ নতুন আশাৰ ৰেঙণি কঢ়িয়াই আৰম্ভ হ'ল বহু প্ৰতীক্ষিত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য। মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৮ এপ্ৰিলত ভূমি পূজনেৰে নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি কৰে। মুঠ ২৩৫ কোটি টকা ব্যয়েৰে প্ৰথম পৰ্যায়ত নিৰ্মাণ কাৰ্য সম্পন্ন হ'বলগীয়া এই চিকিৎসা মহাবিদ্যালয়খনত প্ৰতি বছৰে ১০০ গৰাকী শিক্ষাৰ্থীয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক ডিগ্ৰীত নামভৰ্তিৰ সুযোগ লাভ কৰিব। নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি অনুষ্ঠানত দিয়া ভাষণত মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰাইজৰ মাজত নোপোৱাৰ বেদনা আৰু স্বাস্থ্যৰ অধিকাৰৰ পৰা বঞ্চিত হৈ থকাৰ ক্ষোভ পুঞ্জীভূত হৈ আছে। লখিমপুৰত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন হোৱাটো ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰাইজৰ বাবে আছিল এটা দীৰ্ঘদিনীয়া আশা। এই আশা বৰ্তমান বাস্তৱায়িত হোৱাৰ দিশে আগবাঢ়িছে বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ সকলো নাগৰিকক সামৰি সম উন্নয়নৰ যি নীতি কাৰ্যকৰী হৈ আছে সেই নীতিৰেই অসম চৰকাৰ পৰিচালিত হৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰক স্বাস্থ্যসেৱা, শিক্ষা, যাতায়াতকে ধৰি সকলো দিশতে শক্তিশালী কৰি তোলাৰ বাবে অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। লখিমপুৰত স্থাপন হ'বলগীয়া এই চিকিৎসা মহাবিদ্যালয়খনে জোনাইৰ পৰা বিশ্বনাথ চাৰিআলিলৈকে বিস্তৃত অঞ্চলৰ ৰাইজক উপকৃত কৰিব বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য যাতে উন্নতমানৰ হয় সেয়া নিশ্চিত কৰাৰ বাবে নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত প্ৰতিষ্ঠানৰ প্ৰতি সহায়-সহযোগিতা আগবঢ়াবলৈ তথা নিৰ্মাণ কাৰ্যৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ স্থানীয় ৰাইজক আহ্বান জনায়। চৰকাৰ আৰু ৰাইজে সহযোগিতাৰে কাম কৰিলে যিকোনো অনুষ্ঠানেই সফল হয় বুলি অভিমত ব্যক্ত কৰি মুখ্য মন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনক স্বাস্থ্য খণ্ডত স্বাৱলম্বী কৰাৰ বাবে অসম চৰকাৰে সিদ্ধান্ত লৈছে। অনাগত দিনবোৰত ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ সকলো অঞ্চলতে উন্নত স্বাস্থ্যসেৱা সুনিশ্চিত কৰাৰ উদ্দেশ্যে আৰু কেইবাখনো চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব। লখিমপুৰ আৰু ধেমাজিক অসমৰ অন্যতম খাদ্য শস্য ভাণ্ডাৰ হিচাপে অভিহিত কৰি মুখ্য মন্ত্ৰীগৰাকীয়ে কয় যে জিলা দুখনত উন্নত কৃষি প্ৰণালীৰে অধিক শস্য উৎপাদন কৰাৰ বাবে চৰকাৰে পদক্ষেপ লৈছে। ইয়াৰ সমান্তৰালভাৱে গোগামুখত প্ৰায় ১৫০০ কোটি টকা ব্যয় সাপেক্ষে এটা খাদ্য সংসাধন কেন্দ্ৰ স্থাপন কৰা হ'ব। ভূমি পূজনেৰে চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি অনুষ্ঠানত উপস্থিত থকা স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি ঘটা ৮ এপ্ৰিলৰ দিনটো উত্তৰ অসমৰ ৰাইজৰ বাবে প্ৰাপ্তি আৰু সৌভাগ্যৰ দিন বুলি অভিহিত কৰে। লখিমপুৰৰ চিকিৎসা মহাবিদ্যালয়খনৰ লগতে নিৰ্মাণ কাৰ্য চলি থকা ধুবুৰী আৰু নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু অহা বৰ্ষত মুকলি হ'বলগীয়া ডিফু চিকিৎসা মহাবিদ্যালয়ক সামৰি অসমত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ১০খনলৈ বাঢ়িব। ৰাজ্য চৰকাৰৰ বাজেটত কোকৰাঝাৰ, তিনিচুকীয়া আৰু নলবাৰীত একোখনকৈ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ প্ৰস্তাৱ সন্নিৱিষ্ট কৰাৰ বিষয়ে উনুকিয়াই বৰাক উপত্যকাৰ কৰিমগঞ্জতো এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব বুলি ভাষণত উল্লেখ কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়খনৰ বাবে ইতিমধ্যে ৪৫ বিঘা ভূমি অধিগ্ৰহণ কৰা হৈছে। চিকিৎসা মহাবিদ্যালয়খনৰ বাবে অতিৰিক্ত ৫০ বিঘা মাটি অধিগ্ৰহণ কৰা হ'ব। এই নতুন চিকিৎসা মহাবিদ্যালয়খনৰ অধীনত এখন দন্ত মহাবিদ্যালয় আৰু বি এছ চি নাৰ্ছিং কলেজো স্থাপন কৰা হ'ব। চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্যৰ শুভৰম্ভণি অনুষ্ঠানত ৰাজ্যৰ গড়কাপ্তানী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, ক্ৰীড়া আৰু যুৱকল্যাণ দপ্তৰৰ মন্ত্ৰী নৱকুমাৰ দলেও ভাষণ দিয়ে।❐❐



# ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনি হৃদপিণ্ডৰ জন্মগত ৰোগৰ চিকিৎসা

*বাংগালুৰু আৰু কলকাতাত অৱস্থিত নাৰায়ণ হৃদয়ালয় হাস্পিতালত অসমৰ হৃৎপিণ্ডৰ জন্মগত বিসংগতিত আক্ৰান্ত শিশুসকলৰ চিকিৎসা প্ৰদান কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এই কল্যাণকামী আঁচনিখন গ্ৰহণ কৰিছে। ইতিমধ্যে ৪,৪০০তকৈ অধিক শিশুৱে উক্ত আঁচনিৰ সুবিধা গ্ৰহণ কৰি চিকিৎসা কৰিছে। উক্ত আঁচনিৰ অধীনত কলকাতা/ বাংগালুৰুলৈ অহা-যোৱা কৰাৰ বাবে আক্ৰান্ত শিশু আৰু এজন অভিভাৱকৰ বিমানৰ খৰচ, নাৰায়ণ হৃদয়ালয় (কলকাতা আৰু বাংগালুৰু)ত চিকিৎসা প্ৰদানৰ সম্পূৰ্ণ খৰচ আৰু আক্ৰান্ত শিশু আৰু এজন অভিভাৱকৰ চিকিৎসাকালীন থকা-খোৱাৰ খৰচসমূহ চৰকাৰীভাৱে বহন কৰা হয়।*

স্বাস্থ্য পৰম সম্পদ। আজিৰ যুগত বেমাৰ-আজাৰ হ'লেও চিন্তাৰ বিশেষ কাৰণ নাই। আজিকালি প্ৰায় সকলো ৰোগৰে চিকিৎসা সম্ভৱ। মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰখন শাসনলৈ অহাৰ পিছৰে পৰা স্বাস্থ্যখণ্ডত বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে। আজিকালি চৰকাৰী চিকিৎসালয়সমূহত প্ৰায় সকলো ধৰণৰ চিকিৎসাই প্ৰদান কৰা হয় অতি কম খৰচতে। কিছু কিছু ৰোগৰ ক্ষেত্ৰত সম্পূৰ্ণ বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰা হয়। বৰ্তমান সচৰাচৰ নহ'লেও কিছু সংখ্যক শিশুৰ মাজত দেখা দিয়া এক জটিল ৰোগ হৈছে হৃৎপিণ্ডৰ জন্মগত বিসংগতি (Congenital Heart Disease)। এই ৰোগটো হ'ল নৱজাত শিশুৰ হৃৎপিণ্ড অথবা ৰক্ত পৰিবাহী শিৰা আৰু ধমনীৰ এক বিসংগতিপূৰ্ণ গঠন বা সৰল অৰ্থত ক'বলৈ গ'লে হৃদপিণ্ডৰ ভিতৰফালে থকা ছিদ্ৰ বা ফুটা। এনে ধৰণৰ বিসংগতি লৈ জন্মগ্ৰহণ কৰা শিশুৰ হৃৎপিণ্ডৱে তেজ চলাচল কৰিব নোৱাৰে। কেতিয়াবা অস্বাভাৱিক ৰক্ত সঞ্চালনো হোৱা দেখা যায়। প্ৰতি বছৰে এনেধৰণৰ বিসংগতি লৈ বহু শিশুৱে জন্মগ্ৰহণ কৰে। এই ৰোগৰ চিকিৎসা পদ্ধতি বহু ব্যয়বহুল। দুখীয়া শ্ৰেণীৰ লোকসকলৰ শিশু এই ৰোগত আক্ৰান্ত হ'লে তেওঁলোক বহু অসুবিধাৰ সন্মুখীন হয়। কাৰণ ৰোগৰ চিকিৎসা পদ্ধতি ব্যয়বহুল হোৱা হেতুকে সকলোৰে বাবে চিকিৎসা ব্যয় সম্ভৱ নহয়। যাৰ ফলত পৰিয়ালটো মানসিক হতাশাত ভোগে। ৰাজ্য চৰকাৰে এনে ধৰণৰ বিসংগতি লৈ জন্মগ্ৰহণ কৰা শিশুসকলৰ চিকিৎসাৰ ক্ষেত্ৰত এক কল্যাণকামী আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত হৃৎপিণ্ডৰ জন্মগত বিসংগতি লৈ জন্মগ্ৰহণ কৰা শিশুসকলক (০-১৪ বছৰ বয়সৰ) চিকিৎসা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হয়। বাংগালুৰু আৰু কলকাতাত অৱস্থিত নাৰায়ণ হৃদয়ালয় হাস্পিতালত অসমৰ হৃৎপিণ্ডৰ জন্মগত বিসংগতি (Congenital Heart Disease)ত আক্ৰান্ত শিশুসকলৰ চিকিৎসা প্ৰদান কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এই কল্যাণকামী আঁচনিখন গ্ৰহণ কৰিছে। ইতিমধ্যে ৪,৪০০তকৈ অধিক শিশুৱে উক্ত আঁচনিৰ সুবিধা গ্ৰহণ কৰি চিকিৎসা কৰিছে। উক্ত আঁচনিৰ অধীনত কলকাতা/ বাংগালুৰুলৈ অহা-যোৱা কৰাৰ বাবে আক্ৰান্ত শিশু আৰু এজন অভিভাৱকৰ বিমানৰ খৰচ, নাৰায়ণ হৃদয়ালয় (কলকাতা আৰু বাংগালুৰু)ত চিকিৎসা প্ৰদানৰ সম্পূৰ্ণ খৰচ আৰু আক্ৰান্ত শিশু আৰু এজন অভিভাৱকৰ চিকিৎসাকালীন থকা-খোৱাৰ খৰচসমূহ চৰকাৰীভাৱে বহন কৰা হয়। এনে ধৰণৰ কল্যাণকামী স্বাস্থ্য সম্পৰ্কীয় আঁচনিৰ যোগেদি দুখীয়া শ্ৰেণীৰ লোকসকল যথেষ্ট উপকৃত হয়। ইয়াৰ উপৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত পঞ্জীয়ন হৈ থকা ৰোগীসকলক নিজ নিজ বাস কৰা অঞ্চলৰ চিকিৎসা মহাবিদ্যালয়ত স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। নাৰায়ণ হৃদয়ালয়ৰ বিশেষজ্ঞ চিকিৎসকসকলে স্বাস্থ্য পৰীক্ষা কৰে। পৰীক্ষাত ৰোগ চিনাক্ত হ'লে চিকিৎসাসেৱাৰ বাবে প্ৰেৰণ কৰে। সঁচা অৰ্থত ক'বলৈ গ'লে এনে ধৰণৰ আঁচনিয়ে আক্ৰান্ত শিশু আৰু পৰিয়ালবৰ্গলৈ হাঁহি বিৰিঙাব পাৰে। অধিক তথ্যৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ বিষয়াবৰ্গৰ লগত যোগাযোগ কৰক— Head Office : Ofiice of the Mission Director, National Health Mission (NHM), Assam, Saikia Commercial Complex, Srinagar Path, Christianbasti, G.S. Road, Guwahati-781005.❐❐



# নমামি ব্ৰহ্মপুত্ৰ হওক মহামিলনৰ তীৰ্থ

❐ *শিখা শইকীয়া*



*বিশাল জলৰাশি, দুয়োপাৰৰ অনুপম নৈসৰ্গিকতা, কেতিয়াবা ৰুদ্ৰ, কেতিয়াবা শান্ত-সমাহিত— এয়ে মহাবাহু ব্ৰহ্মপুত্ৰ। যাক লৈ কবি-গীতিকাৰৰ কলমেৰে অহৰহ নিগৰিত হয় কবিতা-গীত। যি প্ৰতিগৰাকী অসমীয়াৰ স্বাভিমানৰ প্ৰতীক। ড° ভূপেন হাজৰিকাদেৱে যাক অভিহিত কৰিছে— 'মহাবাহু ব্ৰহ্মপুত্ৰ-মহা মিলনৰ তীৰ্থ' বুলি, যাৰ কাষত অভিমান কৰি গাইছে, 'বিস্তীৰ্ণ পাৰৰে অসংখ্যজনৰে হাহাকাৰ শুনিও নিঃশব্দে নীৰৱে বুঢ়া লুইত বোৱা কিয়?' অসমৰ জনজীৱনৰ সৈতে, অসমৰ সাহিত্য-সংস্কৃতি-ঐতিহ্য, অসমৰ সামাজিক-অৰ্থনৈতিক ব্যৱস্থাৰ সৈতে ব্ৰহ্মপুত্ৰ এইদৰে সংপৃক্ত হৈ আছে যে ইয়াৰ ব্যতিৰেকে আমি কেতিয়াও অসমৰ সমাজ জীৱনৰ কথা চিন্তাই কৰিব নোৱাৰো।*

ব্ৰহ্মপুত্ৰ নদৰ প্ৰতি অসমবাসীৰ আৱেগ-অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনায়ে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে অসমৰ ২৭খন জিলাত যোৱা ৩১ মাৰ্চৰ পৰা ৪ এপ্ৰিললৈ পাঁচ দিনীয়াকৈ অনুষ্ঠিত কৰা হয় নমামি ব্ৰহ্মপুত্ৰ উৎসৱ। ব্ৰহ্মপুত্ৰ নদৰ পূজা-অৰ্চনাৰে আৰম্ভ হোৱা নমামি ব্ৰহ্মপুত্ৰ উৎসৱত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে অসমৰ থলুৱা খেল-ধেমালি, পৰম্পৰাগত খাদ্য আদিও প্ৰদৰ্শন কৰা হয়। অসমৰ চহকী ঐতিহ্য-সংস্কৃতিক বিশ্ববাসীৰ আগত আকৰ্ষণীয় ৰূপত তুলি ধৰাৰ উদ্দেশ্যে অসম চৰকাৰৰ উদ্যোগত আয়োজন কৰা নমামি ব্ৰহ্মপুত্ৰ উৎসৱলৈ ৰাইজৰ সঁহাৰি আছিল অভূতপূৰ্ব। স্কুলীয়া কণ কণ ছাত্ৰ-ছাত্ৰীৰ পৰা বয়োজ্যেষ্ঠ ব্যক্তিলৈ- সকলোৱে অতি উৎসাহেৰে মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত আয়োজন কৰা এই উৎসৱত প্ৰথম দিনাৰে পৰা অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়।

ব্ৰহ্মপুত্ৰ নদক কেন্দ্ৰ কৰি গঢ়ি উঠা অসমৰ কৃষ্টি-সংস্কৃতি-সভ্যতা আৰু অপৰূপ নৈসৰ্গিক সৌন্দৰ্যক বিশ্ববাসীয়ে আঁকোৱালি লওক এয়া প্ৰতিগৰাকী অসমীয়াৰে কাম্য। সেয়েহে এনে ধৰণৰ উৎসৱ আয়োজন কৰা বাবে অসম চৰকাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে লখৰাৰ পৰা স্বামীৰ সৈতে মহোৎসৱস্থলীলৈ অহা ষাঠি উৰ্ধ্বৰ মহিলা বিভা বড়োৱে। বিভা বড়োৰ দৰে গুৱাহাটীৰ লগতে ৰাজ্যৰ

বিভিন্ন প্ৰান্তৰ পৰা পৰিয়াল-স্বজনৰ সৈতে অহা সকলোৰে একেই অভিমত। ব্ৰহ্মপুত্ৰ যিদৰে অসমৰ গৌৰৱ, সেইদৰে নমামি ব্ৰহ্মপুত্ৰ উৎসৱ হওক এই গৌৰৱৰ ধ্বজ্জাবাহী— এয়াই এই অনুষ্ঠানলৈ অহা প্ৰতিগৰাকী ব্যক্তিৰে অনুভৱ ।

লোহিত কনছাৰ্ট এৰনাই হওক জীয়াভৰলী থিয়েটাৰেই হওক, দিখৌ স্পৰ্টছ এৰেনা অথবা কপিলী ইক' জ'নেই হওক— সকলোতে ভিন্ন বয়সৰ লোকসকলৰ উৎফুল্লিত মুখমণ্ডলে নমামি ব্ৰহ্মপুত্ৰ উৎসৱৰ সফলতাকে যেন দাঙি ধৰিছে। অসমৰ মনোমোহা সৌন্দৰ্য আৰু ব্ৰহ্মপুত্ৰৰ বিশালতাই সীমাৰ পৰিধি ভাঙি আনকি সুদূৰ ইংলেণ্ডৰ পৰা অহা ষ্টীভৰ দৰে অনেককে মন্ত্ৰমুগ্ধ কৰিছে। উৎসৱস্থলীত চিংফৌ চাহৰ জুতি লৈ অসমৰ গুণগান কৰি ভাগৰি নপৰা ষ্টীভে সমগ্ৰ উৎসৱস্থলীত প্ৰশাসনৰ তৰফৰ পৰা যেনে ধৰণৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ব্যৱস্থা কৰা হৈছে তাক লৈ যথেষ্ট সন্তুষ্টি ব্যক্ত কৰে।

নমামি ব্ৰহ্মপুত্ৰ উৎসৱত নৱ-প্ৰজন্মৰ অংশগ্ৰহণ আৰু সঁহাৰি আছিল অতি উৎসাহজনক। কটন কলেজৰ পৰা অহা মৌচুমী, আফ্ৰাজা, কল্যাণী, নাজিমাই হওক বা স্বেচ্ছাসেৱক হিচাপে নিয়োজিত হৈ থকা প্ৰাগজ্যোতিষ কলেজৰ দিবাকৰ, উজ্জ্বল আৰু জে বি আইন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলেই হওক সকলোৰে বিচাৰে এনে ধৰণৰ অনুষ্ঠান নিয়মীয়াকৈ অনুষ্ঠিত হওক আৰু সকলোৰে অসমৰ গৌৰৱোজ্জ্বল ইতিহাসক অনুধাৱন কৰাৰ অৱকাশ পাওক। নৱ-প্ৰজন্মৰ প্ৰতিগৰাকী প্ৰতিনিধিয়ে বিচাৰে অসমৰ দ্ৰুত বিকাশ আৰু উন্নয়ন আৰু এনে ধৰণৰ অনুষ্ঠানে বিশ্ব দৰবাৰত অসমক জিলিকাই তোলাৰ লগতে বিনিয়োগকাৰীক আকৰ্ষণ কৰিব বুলিও তেওঁলোক আশাবাদী। ৰাজ্যৰ ভিন ভিন অঞ্চলৰ পৰা ক্ৰীড়া শৈলী প্ৰদৰ্শনৰ বাবে নমামি ব্ৰহ্মপুত্ৰ স্থলীলৈ অনেকজনৰ আগমন ঘটিছিল। সকলোৰে ইয়ালৈ আহি এই বিশাল আয়োজন দেখি আপ্লুত হৈ পৰিল। থলুৱা খেল-ধেমালি প্ৰদৰ্শনৰ বাবে কোকৰাঝাৰৰ গৰুভাসা




গাঁৱৰ পৰা অহা স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ দলটোৰ হাঁহি থকা উজ্জ্বল মুখবোৰে প্ৰকট কৰিছিল তেওঁলোকৰ আনন্দ-উল্লাস । তেওঁলোকে উচ্ছসিতভাৱেকৈ গ'ল প্ৰতি বছৰে হওক 'নমামি ব্ৰহ্মপুত্ৰ উৎসৱ'।

সকলো উৎসৱ অনুষ্ঠানৰে সফলতা নিৰ্ভৰ কৰে ৰাইজৰ অংশগ্ৰহণ, ৰাইজৰ সঁহাৰিৰ ওপৰত। কেৱল গুৱাহাটীতে নহয় নমামি ব্ৰহ্মপুত্ৰ উৎসৱ আয়োজন কৰা প্ৰতিখন জিলাতে বতৰৰ প্ৰতিকূলতাক নেওচি জনসাধাৰণৰ পাৰভঙা উছাহ আৰু আন্তৰিকতাই আৱেগিক কৰি তোলে উদ্যোক্তাসকলক। তদুপৰি তিব্বতী ধৰ্মগুৰু দালাই লামাৰ আশীৰ্বাদ, দেশৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জী, যোগগুৰু বাবা ৰামদেৱ, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, মহেশ শৰ্মা আৰু বাবুল সুপ্ৰিয়কে প্ৰমুখ্য কৰি বিভিন্নজনৰ উপস্থিতিয়ে প্ৰথমবাৰতে এই উৎসৱক এক নতুন মাত্ৰা প্ৰদান কৰিলে। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য-গীত, থলুৱা খেল-ধেমালি, পৰম্পৰাগত খাদ্যৰ সমুজ্জ্বল ভাণ্ডাৰ বিশ্ববাসীৰ সন্মুখত উদ্ভাসিত কৰি অসমৰ প্ৰতিজন নাগৰিকৰ হৃদয় চুই যোৱা নমামি ব্ৰহ্মপুত্ৰ উৎসৱ হওক একতা আৰু সম্প্ৰীতিৰ উৎসৱ, মহামিলনৰ তীৰ্থ।❒❒

***(লেখিকা তথ্য আৰু জনসংযোগ বিভাগৰ বিষয়া)***



# ৩০ জুনৰ ভিতৰত ৰাজ্যৰ সকলো গাঁৱতে বিদ্যুৎ সংযোগৰ লক্ষ্য চৰকাৰৰ

## চৰাঞ্চলত সৌৰ শক্তি প্ৰকল্প স্থাপনৰ সিদ্ধান্ত



অহা ৩০ জুনৰ ভিতৰত ৰাজ্যৰ সকলো গাঁৱতে বিদ্যুৎ সংযোগ দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে ৰাজ্য চৰকাৰে। এই সময়সীমাৰ ভিতৰত ৰাজ্যৰ সমগ্ৰ গ্ৰামাঞ্চলত বৈদ্যুতিকৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ শক্তি বিভাগক নিৰ্দেশ দিছে মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। বিদ্যুৎ সংযোগ নথকা গাঁওসমূহলৈ এই সময়সীমাৰ ভিতৰত বিদ্যুৎ যোগানৰ প্ৰক্ৰিয়া সুনিশ্চিত কৰিবলৈ মুখ্য মন্ত্ৰীয়ে নিৰ্দেশ দিছে। জনতা ভৱনস্থিত মুখ্য মন্ত্ৰীৰ সভাকক্ষত যোৱা ১০ এপ্ৰিলত শক্তি বিভাগৰ সকলো শাখাৰ শীৰ্ষ বিষয়াবৰ্গৰ সৈতে হোৱা এক বৈঠকত মুখ্য মন্ত্ৰীগৰাকীয়ে এই নিৰ্দেশ দিয়ে। শক্তি বিভাগৰ বিষয়াসকলক উদ্দেশ্যি মুখ্য মন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যৰ বৈদ্যুতিকৰণ নোহোৱা গাঁওসমূহত বিদ্যুৎ সংযোগকৰণৰ যাৱতীয় প্ৰক্ৰিয়া এই সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। উল্লেখ্য যে ৰাজ্যৰ শক্তি বিভাগে অহা ৫ বছৰৰ ভিতৰত ৰূপায়ণ কৰিবলগীয়া আঁচনিসমূহৰ বিষয়েও বিস্তৃতভাৱে পৰ্যালোচনা কৰাৰ লগতে সমগ্ৰ ৰাজ্যজুৰি প্ৰিপেইড মিটাৰ প্ৰচলনৰ বাবেও বৈঠকতে সিদ্ধান্ত লোৱা হয়। ৰাজ্যজুৰি বিদ্যুতৰ প্ৰিপেইড মিটাৰ প্ৰচলনৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন যথাসম্ভৱ শীঘ্ৰে প্ৰস্তুত কৰাৰ বাবেও বৈঠকত সিদ্ধান্ত লোৱা হয়। আনহাতে, ৰাজ্যখনৰ প্ৰতিগৰাকী বিদ্যুৎ উপভোক্তালৈ একো একোটা 'ইউনিক আইডেণ্টিফিকেচন নাম্বাৰ' প্ৰেৰণ কৰা হ'ব। ইয়াৰ জৰিয়তে বিদ্যুৎ গ্ৰাহকসকলক চিনাক্ত কৰাটো সহজ হোৱাৰ লগতে তেওঁলোকৰ বিদ্যুৎ সম্পৰ্কীয় সমস্যা সমাধানৰ ক্ষেত্ৰতো খৰতকীয়াকৈ পদক্ষেপ গ্ৰহণ কৰিব পৰা যাব বুলি বৈঠকত সহমত ব্যক্ত কৰা হয়। ইফালে ৰাজ্যখনৰ চৰ অঞ্চলসমূহত সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনিৰ বিষয়েও বৈঠকত সদৰী কৰে মুখ্য মন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত থকা চৰাঞ্চলসমূহত সৌৰ শক্তি প্ৰকল্প অৰ্থাৎ ছ'লাৰ পাৱাৰ পাৰ্ক স্থাপন কৰা হ'ব আৰু ইয়াৰ জৰিয়তে অসমক সৌৰ শক্তি কেন্দ্ৰ (ছ'লাৰ পাৱাৰ হাব) হিচাপে প্ৰতিষ্ঠিত কৰিব পৰা যাব। চৰাঞ্চলসমূহত সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বিষয়টোক লৈ বিস্তৃত অধ্যয়ন তথা এই প্ৰকল্প ৰূপায়ণৰ বাবে যাৱতীয় পৰিকল্পনা যুগুত কৰাৰ বাবেও বৈঠকত সিদ্ধান্ত লোৱা হয়। ৰাজ্যৰ প্ৰায় ৩.৬ লাখ হেক্টৰ ভূমি সামৰি থকা চৰাঞ্চলসমূহত বানৰ উচ্চতা পৰ্যবেক্ষণৰ নিৰ্দেশ দিয়াৰ লগতে এই নিৰীক্ষণৰ আধাৰতেই চৰাঞ্চলত সৌৰ শক্তি প্ৰকল্পৰ কাম আগবঢ়াই নিবলৈ নিৰ্দেশ দিয়ে তেওঁ। উল্লেখ্য যে বিদ্যুতৰ মিতব্যয়ী ব্যৱহাৰৰ উদ্দেশ্যে ৰাজ্যখনৰ প্ৰতিটো পৰিয়ালকে এল ই ডি বাল্ব প্ৰদান কৰাৰ বাবেও উক্ত বৈঠকতে সিদ্ধান্ত লোৱা হয়। ৰাজ্যখনত শক্তি খণ্ডৰ সৈতে জড়িত কাম-কাজ সঠিক ৰূপত তথা ক্ষিপ্ৰগতিত সম্পাদন কৰিব পৰা দক্ষতাসম্পন্ন ঠিকাদাৰ সৃষ্টিৰ বাবে পদক্ষেপ ল'বলৈ মুখ্য মন্ত্ৰীগৰাকীয়ে শক্তি বিভাগক নিৰ্দেশ দিয়ে। ৰাজ্যখনৰ শক্তি খণ্ডৰ কাম-কাজৰ বাবে আন ৰাজ্যৰ ঠিকাদাৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া পৰিস্থিতিৰ অৱসান ঘটোৱাৰ ওপৰত গুৰুত্ব দিয়ে তেওঁ। ❑❑

# মোৰ সৰু কালৰ বিশেষ সংগী আছিল হলধৰ— লক্ষ্মীনন্দন বৰা



❐ *কথোপকথনত নিকুমণি হুছেইন*

ড° লক্ষ্মীনন্দন বৰা। নামেই যাৰ পৰিচয়। বিৰলা ফাউণ্ডেচনে আগবঢ়োৱা সৰস্বতী সন্মান প্ৰাপক প্ৰথমগৰাকী অসমীয়া সাহিত্যিক, যিগৰাকী আধুনিক অসমীয়া কথাশিল্পৰ অন্যতম শ্ৰেষ্ঠ নিৰ্মাতাৰূপে সু-প্ৰতিষ্ঠিত। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰা একাধাৰে এগৰাকী সাহিত্যিক, বিজ্ঞানী, সাংবাদিক, ভ্ৰমণ কাহিনীৰ বাটকটীয়া তথা অগতানুগতিক বিষয়বস্তুক লৈ অসমীয়া উপন্যাস সাহিত্যত এক অভিনৱ ধাৰা সৃষ্টি কৰা এগৰাকী কথাশিল্পী। সৰস্বতী বঁটা, মাধৱদেৱ বঁটা, অসম উপত্যকা বঁটাকে মুখ্য কৰি বিভিন্ন সন্মানেৰে বিভূষিত সাহিত্য জগতৰ অন্যতম ভোটাতৰা ড° লক্ষ্মীনন্দন বৰাই গাঁৱতে জন্মগ্ৰহণ কৰি গাঁৱতে ডাঙৰ-দীঘল হৈ এদিন গাঁৱৰ পৰা ওলাই আহিবলগীয়া হৈছিল যদিও এৰি অহা সেই গাঁৱৰ জীৱনক ধৰি ৰাখিছিল তেখেতৰ সাহিত্য সৃষ্টিৰ মাজত। যিবোৰ সৃষ্টি অসমীয়া সাহিত্যত সদায়েই জিলিকি থাকিব।

এইগৰাকী বৰেণ্য ব্যক্তিৰ নিজৰ পৰা আমি কিছু কথা শুনোচোন—

♦ ১৯৩২ চনত নগাঁৱৰ কুঁজীডাঁহত জন্মগ্ৰহণ কৰি আপুনি শৈশৱ, কৈশোৰ তাতেই অতিবাহিত কৰিছিল। কৈশোৰৰ গাঁৱৰ অভিজ্ঞতাই আপোনাৰ জীৱনত যথেষ্ট প্ৰভাৱ পেলাইছিল বুলি আপোনাৰ আত্মজীৱনীয়ে সাক্ষ্য বহন কৰিছে। ইয়াৰ মাজৰ কোনবোৰ বিশেষ অভিজ্ঞতাই আজি আমাৰ পৰিচিত লেখকগৰাকী সৃষ্টি কৰিছে বুলি ভাবিম?

ঃ মই চৈধ্য বছৰ বয়সলৈকে গাঁৱত থাকি পঢ়া-শুনা কৰিছিলো। তাৰ পাছৰছোৱা ছাত্ৰাৱস্থাত মই হোষ্টেলতেই আছিলো যদিও বন্ধৰ কালছোৱা মোৰ নিজৰ গাঁও হাতীচোং কুজীডাঁহত কটাইছিলো। মোৰ সৰুকালৰ বিশেষ সংগী আছিল হলধৰ। সি আমাৰ হালোৱা আছিল। কেউ-কিছু নথকা ল'ৰাটোৰ ঘৰ আছিল জাজৰিৰ হীড়া গাঁৱত। সি মোৰ লগ হোৱা কাৰণে লোকৰ ঘৰত কাম-বন কৰি ভাত মোকলোৱা মতা-তিৰোতাখিনিৰ জীৱন যাত্ৰা আৰু মানসিকতা সম্পৰ্কে মই ভালকৈ জানিব পাৰিছিলো। সেই মানুহখিনিয়ে মোক বৰ আকৰ্ষিত কৰিছিল। এনে গাঢ় পৰিচয়ে মোৰ ভৱিষ্যতৰ সাহিত্য সৃষ্টিত সহায় কৰিছিল। কিছুমান সঁচা চৰিত্ৰই পাছত মোৰ সৃষ্টিত সজীৱ ৰূপ লৈছিল। যেনে— 'সখা দামোদৰ'ৰ লদৰ, 'পেমদা পোহাৰী'ৰ পোহাৰীগৰাকী, 'কাঁচিয়লিৰ কুঁৱলী'ৰ পুবীবাই।

আমাৰ ঘৰৰ পৰা ভালেখিনি সোণাই নৈৰ সিটো পাৰত অৱস্থিত দেওৰাত (এইটো নাম চৰিত পুথিসমূহত পোৱা যায়) আমাৰ এখন খেতিৰ পাম আছিল। তালৈ মই আৰু হলধৰ সঘনে গৈছিলো। ফলত সোণাইপৰীয়া ভালেমান জনজাতি অধ্যুষিত গাঁৱৰ উচ্চ বৰ্ণ হিন্দু নোহোৱা মানুহখিনিৰ জীৱন ধাৰণ, প্ৰেম-প্ৰীতি, উৎসৱ আৰু হৃদয় গুণে মোৰ চেমনীয়া কালৰ মনটো সমৃদ্ধ কৰিছিল। সেইবাবে মই উপকৃতও হৈছিলো। সেইবোৰ অভিজ্ঞতাই মই উপন্যাসত ব্যৱহাৰ কৰিছিলো— বিশেষকৈ 'গঙা চিলনীৰ পাখি', 'কাল ডিঙৰাৰে পাল' প্ৰভৃতি উপন্যাসত। তাৰ কিছুমান চৰিত্ৰ আছিল সঁচা চৰিত্ৰ। এই বিষয়ে বিশদভাৱে মোৰ সুবৃহৎ আত্মজীৱনী— 'কাল-বলুকাত খোজ'ত লিখিছো।

আমি 'বায়নৰ ঘৰ'ৰ মানুহ হিচাপে জনাজাত আছিলো। আমি শংকৰদেৱৰ ভাতৃ জগতানন্দ তথা ৰামৰায়ৰ ফালৰ বুলি আমাৰ পৰিয়ালৰ ইতিহাসত আছে। গতিকে মই সত্ৰীয়া সংস্কৃতিৰ মাজত ডাঙৰ-দীঘল হৈছিলো। সৰুৰে পৰাই শ্ৰীমন্ত শংকৰ আৰু 'ধৰম মূৰ্তিবস্তু' মাধৱদেৱৰ বিষয়ে হোৱা আলোচনা-বিলোচনাই মোক আপ্লুত কৰিছিল। আপোনা-আপুনি বৈষ্ণৱ সাহিত্যৰ প্ৰতি মোৰ আগ্ৰহ হৈছিল আৰু সত্ৰীয়া সংস্কৃতিৰ চৰ্চাও সৰুৰে পৰাই মোৰ জীৱনত ঘটিছিল। পাছত মই বিজ্ঞান শিক্ষা লাভ কৰিলো। বিজ্ঞানৰ শিক্ষক হ'লো, সৰু-বৰ চহৰ-নগৰৰ বাসিন্দা হ'লো। তথাপি বৈষ্ণৱসকল আৰু সত্ৰীয়া সংস্কৃতিৰ প্ৰতি মোৰ প্ৰবল আগ্ৰহ আৰু আকৰ্ষণ কোনোপধ্যে নকমিল। তাৰে ফলশ্ৰুতি হ'ল মোৰ চাৰিখন বহুপঠিত, বহুচৰ্চিত, অতিশয় জনপ্ৰিয় উপন্যাস— যাকেৰি নাহিকে উপাম (শংকৰদেৱৰ জীৱন ভিত্তিক), সেহি গুণনিধি (মাধৱদেৱৰ জীৱন ভিত্তিক), গতি-মতি ভকত' (মথুৰাদাস বুঢ়া আতাৰ জীৱন ভিত্তিক) আৰু 'যেচন গগন বিয়াপি' (গোপালদেৱৰ জীৱন ভিত্তিক)।

♦ আপুনি ১৯৫২ চনত কটন কলেজৰ পৰা পদাৰ্থ বিজ্ঞানক মেজৰ বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী লাভ কৰে আৰু ১৯৫৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰেচিডেন্সী কলেজৰ পৰা